# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-05-2024
**Time :** 1800 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

***:::::::::::::::::::::::::::::::::::***

লোকসভা নিৰ্বাচনৰ ষষ্ঠ আৰু সপ্তম তথা অন্তিম পৰ্যায়ত হ'বলগীয়া ভোটগ্ৰহণৰ বাবে বিভিন্ন ৰাজনৈতিক দলে সমষ্টিসমূহত প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। ষষ্ঠ পৰ্যায়ৰ নিৰ্বাচনৰ বাবে পৰহিলৈ প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। ২৫ মে' আৰু ১ জুনত হ'বলগীয়া এই দুটা পৰ্যায়ত ৫৭টাকৈ সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ইতিমধ্যে ৫টা পৰ্যায়ত ৪২৮টা সমষ্টিৰ বাবে ভোটগ্ৰহণ সম্পন্ন হৈছে।

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ মতিহাৰীৰ গান্ধী ময়দানত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। প্ৰধানমন্ত্ৰীয়ে ভাষণত কংগ্ৰেছক এটা পৰিয়ালকেন্দ্ৰিক দল বুলি অভিহিত কৰাৰ লগতে দলটোৱে মাত্ৰ এটা পৰিয়ালৰ স্বাৰ্থ সিদ্ধিৰ হকে কাম কৰি আহিছে বুলি অভিযোগ তোলে। লোকসভা নিৰ্বাচনত কংগ্ৰেছ নেতৃত্বাধীন আই এন ডি আই মিত্ৰজোঁটৰ পতন ঘটিব বুলি তেওঁ দাবী কৰে। শ্ৰীমোদীয়ে কয় যে, জনসাধাৰণে নিৰ্বাচনত দুৰ্নীতিৰ গোচৰ আৰু ভাৰত বিৰোধী অভিযানত লিপ্ত হোৱাসকলক যোগ্য প্ৰত্যুত্তৰ দিব। তেওঁ লগতে দুখীয়া জনসাধাৰণক বিদ্যুৎ আৰু ৰন্ধন গেছৰ সংযোগ প্ৰদানৰ বাবে লোৱা পদক্ষেপৰ ওপৰত আলোকপাত কৰে।

প্ৰধানমন্ত্ৰীয়ে কয় যে, আই এন ডি আই মিত্ৰজোঁট একবিংশ শতিকাৰ আশা-আকাংক্ষাৰ সৈতে খোজ মিলাব নোৱাৰে আৰু একমাত্ৰ এন ডি এহে এই সপোনসমূহ বাস্তৱায়িক কৰিবলৈ সক্ষম। তেওঁ লগতে কেন্দ্ৰত এখন নিৰ্ণায়ক চৰকাৰেহে পৰৱৰ্তী ৫ বছৰত অধিক ক্ষিপ্ৰতাৰে উন্নয়নমূলক কাম সম্পন্ন কৰিব বুলি আশ্বাস দিয়ে। শ্ৰীমোদীয়ে আজি বিহাৰৰ মহাৰাজগঞ্জ সংসদীয় সমষ্টিৰ অধীনৰ গৰিয়াকোঠিত দ্বিতীয়খন নিৰ্বাচনী সভাত ভাগ লয়। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই আজি হাৰিয়ানা আৰু ৰাজধানী দিল্লীত প্ৰচাৰ চলায়। আজি পুৱা তেওঁ হাৰিয়ানাৰ ৰোহটকৰ পৰা নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰে। তেওঁ জিন্দত এটা ৰোড শ্ব'ত অংশ লোৱাৰ পাছত দিল্লীলৈ ৰাওনা হয়। আজি সন্ধিয়া তেওঁ দিল্লীত কেইবাখানো ৰাজহুৱা সভাক সম্বোধন কৰিব। একেদৰে দলৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে আজি ওড়িশাৰ ছম্বলপুৰ, কেন্দুঝাৰ আৰু ধেংকানালত ৰাহুহুৱা সভাত ভাষণ দিয়ে। তেওঁ বিয়লি নায়াগড়ত এখন ৰাজহুৱা সভাক সম্বোধন কৰে।

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে আজি হাৰিয়ানাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। তেওঁ চণ্ডিগড়ত এখন সংবাদমেলক সম্বোধন কৰে। জনসভাত দিয়া ভাষণত শ্ৰীখাৰ্গেই এন ডি এ চৰকাৰে বিগত ১০ বছৰত কৃষক আৰু সেনা জোৱানসকলক সুবিধাৰ পৰা বঞ্চিত কৰিছে বুলি উল্লেখ কৰে। চৰকাৰে গ্ৰহণ কৰা অগ্নিবীৰ যোজনাই সেনা বাহিনীত ভৰ্তি হ'বলৈ প্ৰস্তুতি চলাই থকা হাৰিয়ানাৰ যুৱকসকলৰ যাত্ৰাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে বুলি তেওঁ উল্লেখ কৰে। ইফালে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি মথুৰাপুৰ লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলায়।

দিল্লীতো সাতোখন সংসদীয় আসনৰ বাবে প্ৰচাৰ তুংগত উঠিছে। বিজেপি, আম আদমী পাৰ্টী আৰু কংগ্ৰেছে শনিবাৰে ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিকেইটাৰ ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে সৰ্বতো প্ৰকাৰে চেষ্টা চলাইছে।

আম আদমী পাৰ্টী আৰু কংগ্ৰেছে মূল্যবৃদ্ধি, কৰ্ম সংস্থাপনহীনতা আৰু কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰৰ বিষয় লৈ বিজেপিক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। বিজেপিয়েও সুৰা নীতি কেলেংকাৰী আৰু অনিয়মৰ অন্যান্য ঘটনাক লৈ আম আদমী পাৰ্টীক তীব্ৰ সমালোচনা কৰিছে। আম আদমী পাৰ্টীৰ আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে উত্তৰ-পূব দিল্লীত এটা ৰোড শ্ব'ত অংশ ল'ব। দিল্লী কংগ্ৰেছৰ সভাপতি দেৱেন্দ্ৰ যাদৱ আৰু অন্যান্য নেতাসকলে মহানগৰখনৰ বিভিন্ন অংশত প্ৰচাৰ চলাইছে।

০০০০০

আজি আন্তৰ্জাতিক চাহ দিৱস উদযাপন কৰা হৈছে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ মানুহে দৈনন্দিন জীৱন পুৱাৰ একাপ চাহেৰে আৰম্ভ কৰে। চাহে দেহ মনৰ অৱসাদ দূৰ কৰা বুলি কোৱা হয় বাবেই অসমৰ লগতে বিশ্বৰ বিভিন্ন ঠাইৰ মানুহৰ বাবে চাহ আটাইতকৈ প্ৰিয় পানীয় হিচাপে পৰিগণিত হৈ আহিছে। সম্প্ৰতি বজাৰত সাধাৰণ চাহৰ লগতে সেউজ চাহেও জনপ্ৰিয়তা অৰ্জন কৰিছে। স্বাস্থ্য ৰক্ষাৰ দিশত এই চাহৰ গুৰুত্বৰ বিষয়ে উপলব্ধি কৰি স্বাস্থ্য সচেতন লোকসকলে এই চাহ ব্যৱহাৰ কৰা দেখা গৈছে। ২০০ বছৰীয়া অসমৰ চাহ উদ্যোগে ৰাজ্যখনৰ অৰ্থনৈতিক ভেঁটি টনকীয়াল কৰাৰ সমান্তৰালভাৱে কৰ্ম সংস্কৃতি বিকাশতো ভূমিকা গ্ৰহণ কৰি আহিছে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত আজি এই উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰা হয়। চৰাইদেও জিলাৰ এহাল স্বামী-স্ত্ৰীয়ে প্ৰস্তুত কৰা সেউজ চাহপাতে শেহতীয়াকৈ বজাৰ দখল কৰিবলৈ সমৰ্থ হৈছে। জিলাখনৰ নিমনাগড় ইকৰাণী গাঁৱৰ মমি লাহন আৰু কুশ লাহন নামৰ দম্পতীয়ে নিজৰ বাসগৃহৰ চৌহদত জৈৱিক পদ্ধতিৰে সেউজ চাহপাত প্ৰস্তুত কৰি স্বাৱলম্বী হোৱাৰ লগতে কেইবাটাও পৰিয়ালৰ উপাৰ্জনৰ ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াইছে। এই দম্পতীয়ে দৈনিক ১০ কিলোগ্ৰামকৈ শুকান সেউজ চাহপাত প্ৰস্তুত কৰি ২ হাজাৰ টকাৰ পৰা ২০ হাজাৰ টকা পৰ্যন্ত দৰত বিক্ৰী কৰি আহিছে। ২০১৫ চনৰ পৰা ঘৰুৱা পদ্ধতিৰে সেউজ চাহপাতৰ খেতি কৰা দম্পতীয়ে জৈৱিক সাৰ প্ৰয়োগ কৰি ২০ বিঘা মাটিত এই খেতি কৰি মাহেকত লক্ষাধিক টকা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। তেওঁলোকে স্বাৱলম্বী হোৱাৰ লগতে ক্ষুদ্ৰ চাহ খেতিয়কলৈ আশা কঢ়িয়াই আনিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস উপলক্ষে দিয়া বাৰ্তাত কয় যে, অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ চাহে বিশ্বৰ বিভিন্ন প্ৰান্তলৈ সতেজতা কঢ়িয়াবলৈ সমৰ্থ হৈছে। নিজৰ এক্স হেণ্ডেলত দিয়া বাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে, বিশ্বৰ যিকোনো প্ৰান্ততে গ্ৰহণ কৰা পুৱাৰ চাহ কাপত অসমৰ চাহ গছৰ সুগন্ধি থাকে। তেওঁ লগতে আজি এই দিৱস উপলক্ষে চাহ বাগিচাৰ শ্ৰমিকসকলৰ শ্ৰমক মূল্য দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে।

০০০০০

ঃসমাপ্তঃ